# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 10-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ নিৰ্বাচনত ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টিৰ অধ্যক্ষ ৰবি লামিচানে আৰু দলটোৰ জ্যেষ্ঠ নেতা বলেন্দ্ৰ শ্বাহক জয়লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

২। অসমত শাসনাধিস্থিত এন ডি এ মিত্ৰজোঁটৰ তিনিওগৰাকী প্ৰাৰ্থীকে ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হৈছে।

৩। কাটাৰত থকা ভাৰতীয় দূতাবাসে যোৱা তিনিটা দিনত দোহাত আবদ্ধ হৈ থকা প্ৰায় এহেজাৰ ভাৰতীয়ক কাটাৰ বিমানেৰে স্থানান্তৰ কৰা বুলি জনাইছে।

৪। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ বাবে বিত্তীয় বজাৰত দেখা দিয়া অস্থিৰতাৰ মাজতে ছেবিৰ অধ্যক্ষই বিনিয়োগকাৰীসকলক সংযম বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। ***আৰু***

৫। মহিলাৰ এফ আই এইচ বিশ্বকাপ হকী কোৱালিফায়াৰ্ছৰ পুল-বিৰ এখন খেলত ভাৰত আৰু স্কটলেণ্ডৰ মাজৰ খেলখন ২-২ ফলাফলত ড্ৰ’ হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ নিৰ্বাচনত ৰাষ্ট্ৰীয় স্বতন্ত্ৰ পাৰ্টিৰ অধ্যক্ষ ৰবি লামিচানে আৰু দলটোৰ জ্যেষ্ঠ নেতা বলেন্দ্ৰ শ্বাহক জয়লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। নেতা দুগৰাকীৰ সৈতে টেলিফোনযোগে হোৱা কথা বতৰাত শ্ৰীমোদীয়ে নতুন চৰকাৰ গঠনৰ বাবে তেওঁলোকক শুভেচ্ছা জনোৱাৰ লগতে উভয় ৰাষ্ট্ৰৰ পাৰস্পৰিক সমৃদ্ধি, প্ৰগতি আৰু কল্যাণৰ হকে তেওঁলোকৰ সৈতে কাম কৰি যোৱাৰ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে। প্ৰধানমন্ত্ৰীয়ে অনাগত বছৰসমূহত দুয়োখন দেশৰ সহযোগিতাত ভাৰত আৰু নেপালৰ সম্পৰ্ক নতুন শিখৰত উপনীত হ’ব বুলি বিশ্বাস প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ কেৰালা আৰু তামিলনাডু ভ্ৰমণ কৰিব। কেৰালাৰ এৰ্ণাকুলামত তেওঁ প্ৰায় ১০ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাইজক সম্বোধি ভাষণ দিব। ইয়াৰ পাছত তেওঁ তামিলনাডু ভ্ৰমণ কৰি তিৰুচিৰাপল্লীত প্ৰায় ৫ হাজাৰ ৬৫০ কোটি টকা ব্যয় সাপেক্ষে ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooo

অসমত শাসনাধিস্থিত এন ডি এ মিত্ৰজোঁটৰ তিনিওগৰাকী প্ৰাৰ্থীকে ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হৈছে। নিৰ্বাচনী বিষয়াই কালি তেওঁলোকক আনুষ্ঠানিকভাৱে মান পত্ৰসমূহ প্ৰদান কৰে। এই প্ৰাৰ্থীকেইগৰাকী হৈছে বিজেপিৰ যোগেন মহন, তেৰছ গোৱালা আৰু ইউ পি পি এলৰ

প্ৰমোদ বড়ো। কংগ্ৰেছ নেতৃত্বৰ বিৰোধী দলে ৰাজ্যসভাৰ আসনকেইখনৰ বাবে কোনো প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাছিল।

০০০০০

কাটাৰত থকা ভাৰতীয় দূতাবাসে যোৱা তিনিটা দিনত কম দিনৰ বাবে ভ্ৰমণ কৰা অথবা আন বিভিন্ন কাৰণত গৈ দোহাত আবদ্ধ হৈ থকা প্ৰায় এহেজাৰ ভাৰতীয়ক কাটাৰৰ বিমানেৰে স্থানান্তৰ কৰা বুলি জনাইছে। দূতাবাসে জনোৱা অনুসৰি কাটাৰ বিমান পথেৰে চলাচল কৰোৱা দোহা-নতুন দিল্লী বিমানেৰে কালি ৩০০ গৰাকীতকৈও অধিক লোকক ভাৰতলৈ প্ৰেৰণ কৰা হয়। কাটাৰ বিমান পৰিবহণ সংস্থাই দিল্লী, মুম্বাই আৰু কোচিলৈ আজি তিনিখন বিমান চলাচল কৰোৱাৰ পৰিকল্পনা কৰিছে বুলি দূতাবাসে লগতে জানিবলৈ দিছে। আৱদ্ধ হৈ থকা লোকসকলক দূতাবাসে তেওঁলোকৰ ভ্ৰমণ সংক্ৰান্তিয় সকলো তথ্য অৱগত হোৱাৰ উদ্দেশ্যে কাটাৰ বিমান পৰিবহণ ব্যৱস্থাৰ সৈতে যোগাযোগ ৰাখিবলৈ পৰামৰ্শ আগবঢ়াইছে। দূতাবাসে লগতে ছৌদিৰ ভিছাৰ বাবে অনুৰোধ জনোৱা তথা আবদ্ধ হৈ থকা যাত্ৰীসকলৰ বিভিন্ন গোচৰো গ্ৰহণ কৰা বুলি নিশ্চিত কৰিছে। সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ উদ্দেশ্যে কাটাৰৰ গৃহবিভাগে জাৰি কৰা নিৰ্দেশাৱলী মানি চলিবলৈও দূতাবাসে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক আহ্বান জনাইছে। বিভিন্ন উৰা বাতৰিৰ পৰিৱৰ্তে নিৰ্ভৰযোগ্য উৎসৰ পৰাহে সকলো তথ্য গ্ৰহণ কৰিবলৈও দূতাবাসে জনসাধাৰণক অনুৰোধ জনাইছে।

০০০০০

দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যাত্ৰীসকলৰ বাবে এলানি নিৰ্দেশনা জাৰি কৰিছে। পশ্চিম অভিমুখী বিমানসমূহৰ সময়সূচী সালসলনি হ'ব পাৰে বা যাত্ৰাৰ বিলম্ব ঘটিব পাৰে বুলি এই নিৰ্দেশনাত কোৱা হৈছে। দিল্লী বিমানবন্দৰ কৰ্তৃপক্ষই যাত্ৰীসকলক বিমান কোঠলৈ যোৱাৰ পূৰ্বে নিজ নিজ বিমান সংস্থাৰ সৈতে যোগাযোগ কৰি শেহতীয়া তথ্যসমূহ সংগ্ৰহ কৰি ল'বলৈ পৰামৰ্শ দিছে। ইয়াৰ লগতে বিমান উৰণৰ প্ৰকৃত সময় জানিবলৈ বিমান বন্দৰৰ চৰকাৰে ৱেবছাইট চাবলৈও পৰামৰ্শ দিয়া হৈছে। অৱশ্যে আন আন দেশৰ সকলো বিমান নিৰ্ধাৰিত সূচী অনুসৰি চলি আছে বুলি কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে। ইপিনে, ইণ্ডিগ' বিমান সেৱাই সাম্প্ৰতিক পৰিস্থিতিৰ বাবে তেওঁলোকৰ কিছুমান বিমানে দীঘলীয়া পথ ল'ব লগা হ'ব পাৰে অথবা পথ সলনি কৰিবলগীয়া হ'ব পাৰে বুলি জানিবলৈ দিছে। বিমান সংস্থাটোৱে প্ৰকাশ কৰা মতে হঠাতে জাৰি কৰা নিষেধাজ্ঞাৰ বাবে দিল্লীৰ পৰা মানচেষ্টাৰ অভিমুখী সংস্থাটোৰ এখন বিমান আকাশমাৰ্গৰ পৰা পুনৰ দিল্লীলৈ ঘূৰি আহিবলগীয়া হয়। এই বিমানখনৰ যাত্ৰা পুনৰ সুচাৰুৰূপে আৰম্ভ কৰাৰ বাবে বিকল্প পথৰ সন্ধানত সংস্থাটোৱে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰি আছে বুলিও জানিবলৈ দিছে।

০০০০০

চৰকাৰে তেল শোধনাগাৰসমূহক অধিক ৰন্ধন গেছ উৎপাদন কৰিবলৈ আৰু ঘৰুৱা ব্যৱহাৰৰ বাবে এই অতিৰিক্ত উৎপাদন ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। বৰ্তমান ইন্ধন যোগানৰ ক্ষেত্ৰত  ভূ-ৰাজনৈতিক ব্যাঘাত আৰু এলপিজিৰ যোগানত সৃষ্টি হোৱা বাধাৰ মাজতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, চৰকাৰে ঘৰুৱা এল পি জি যোগানৰ দিশটোক অগ্ৰাধিকাৰ দিছে আৰু মজুতকৰণ তথা অবৈধ বিপণনৰ পৰা হাত সাৰিবলৈ ২৫ দিনৰ সংৰক্ষণৰ সময়সীমা

প্ৰৱৰ্তন কৰিছে। বাৰ্তাটোত লগতে প্ৰকাশ কৰা হৈছে যে, আমদানিকৃত এল পি জিৰ পৰা অনা ঘৰুৱা যোগানক চিকিৎসালয় আৰু শিক্ষানুষ্ঠানৰ দৰে অত্যাৱশ্যকীয় খণ্ডত ব্যৱহাৰৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হৈছে।

মন্ত্ৰালয়ে লগতে সদৰী কৰে যে অন্যান্য খণ্ড যেনে ৰেষ্টুৰেণ্ট, হোটেল আৰু অন্যান্য উদ্যোগলৈ এল পি জি যোগানৰ বাবে পৰ্যালোচনা কৰিবলৈ তেল বিপণন প্ৰতিষ্ঠানসমূহৰ তিনিগৰাকী কাৰ্যবাহী সঞ্চালকৰ এখন সমিতি গঠন কৰা হৈছে।

০০০০০

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ বাবে বিত্তীয় বজাৰত দেখা দিয়া অস্থিৰতাৰ মাজতে ছেবিৰ অধ্যক্ষ তুহিন কান্তা পাণ্ডেই বিনিয়োগকাৰীসকলক সংযম বজাই ৰাখিবলৈ আহ্বান জনাইছে। মুম্বাইত কালি সন্ধিয়া নিফটি 50ৰ ৩০ বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীপাণ্ডেই কয়, যে দেশৰ ঘৰুৱা অৰ্থনৈতিক আন্তঃগাঁথনি শক্তিশালী হৈ আছে আৰু এনে অস্থিৰতাৰ মাজতো ই অৰ্থনৈতিক স্থিতিক দৃঢ়তা প্ৰদান কৰে। তেওঁ কয়, এই যুদ্ধৰ পৰিপ্ৰেক্ষিতত জাহাজ চলাচল কৰা মূল পথসমূহ বন্ধ হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত তেল আৰু গেছৰ যোগান ব্যাহত হোৱাৰ লগতে যোগান আৰু চাহিদাৰ শৃংখলাতো ব্যাঘাত জন্মিছে। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় বজাৰত তীব্ৰ অস্থিৰতা সৃষ্টি হোৱাৰ লগতে ভাৰততো ইয়াৰ যথেষ্ট প্ৰভাৱ পৰিছে। ছেবিৰ অধ্যক্ষগৰাকীয়ে পূৰ্বেও এনে ধৰণৰ পৰিস্থিতিৰ সময়ত ভাৰতে শক্তিশালী অৰ্থনৈতিক স্থিতিৰ বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ অস্থিৰতাৰ সময়তো ঘৰুৱা বজাৰত স্থিৰতা প্ৰদান কৰি আহিছে। তেওঁ কয়, যে নিফটিয়ে এনেধৰণৰ কেইবাটাও পৰ্যায় পূৰ্বে অতিক্ৰম কৰিছে আৰু দীৰ্ঘম্যাদীভাবে অৰ্থনৈতিক স্থিৰতা আৰু ভাৰতৰ বিকাশৰ শক্তিশালী গাথা প্ৰতিফলিত কৰিছে।

০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানৰ ওপৰত আমেৰিকা-ইজৰাইলৰ আক্ৰমণ আৰু ইউক্ৰেইন সংঘৰ্ষ সম্পৰ্কে টেলিফোনযোগে বাৰ্তালাপ কৰে। দুয়োগৰাকী নেতাৰ মাজত প্ৰায় এঘণ্টাজুৰি কথোপকথন হয় বুলি পুটিনৰ কূটনৈতিক পৰামৰ্শদাতা য়ুৰি উছাক'ভে জনায়। ডিচেম্বৰৰ পাছত এয়া তেওঁলোকৰ প্ৰথমটো আলোচনা আৰু আমেৰিকাৰ তৰফৰ পৰা এই বাৰ্তালাপৰ বাবে অনুৰোধ জনোৱা হৈছিল বুলি তেওঁ উল্লেখ কৰে। ইৰানৰ বিৰুদ্ধে চলা আমেৰিকা-ইজৰাইল যুদ্ধ অতিশীঘ্ৰেই ৰাজনৈতিক আৰু কূটনৈতিক উপায়েৰে সমাধান কৰাৰ বাবে ৰাষ্ট্ৰপতি পুটিনে আহ্বান জনায় বুলি উছাক'ভে প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, যে পুটিনে ট্ৰাম্পক নিয়ন্ত্ৰণ ৰেখাৰ সাম্প্ৰতিক স্থিতিৰ বিষয়ে অৱগত কৰাৰ লগতে ইউক্ৰেইন যুদ্ধত ৰাছিয়ান সেনাই সেই অঞ্চলত সফলতাৰে অগ্ৰসৰ হৈছে বুলিও উল্লেখ কৰে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্যকৰিছে যে ভাৰতৰ সৃজনশীল অৰ্থনীতি খণ্ডই - দেশৰ সংস্কৃতি, খাদ্য আৰু স্থানীয় সামগ্ৰীসমূহ বিশ্বৰ আগত উপস্থাপন কৰি আহিছে। কালি অনুষ্ঠিত বাজেটোত্তৰ ৱেবিনাৰ "সবকা সাথ, সবকা বিকাশ: জনসাধাৰণৰ আকাংক্ষা পূৰণ" শীৰ্ষক আলোচনাচক্ৰত দিয়া ভাষণত তেওঁ এই মন্তব্য কৰে।

শ্ৰীবৈষ্ণৱে উল্লেখ কৰে যে, সংবাদ-মাধ্যম আৰু বিনোদন খণ্ডত প্ৰযুক্তিয়ে সম্প্ৰতি মুখ্য ভূমিকা গ্ৰহণ কৰিছে। তেওঁ কয় যে ভাৰতীয় ক্ৰিয়েটৰ বা সৃষ্টিকৰ্তাসকলক এই খণ্ডত আগুৱাই নিয়াৰ উদ্দেশ্যে WAVES নামৰ এখন মঞ্চ গঠন কৰা হৈছে। তেওঁ লগতে কয় যে

WAVES এতিয়া বিশ্বজুৰি স্বীকৃত এক মঞ্চ হিচাপে পৰিগণিত হৈছে, য'ত নীতি নিৰ্ধাৰক আৰু উদ্যোগ খণ্ডৰ নেতাসকল একত্ৰিত হৈ এই ক্ষেত্ৰৰ উন্নয়নৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা কৰি আহিছে। শ্ৰীবৈষ্ণৱে আৰু জনায় যে WAVES মঞ্চই ভাৰতীয় সৃষ্টিকৰ্তাসকলৰ বাবে প্ৰায় এহাজাৰ কোটি টকাৰ ব্যৱসায়িক সুযোগ সৃষ্টি কৰিছে। সৃজনশীল অৰ্থনীতি খণ্ডক প্ৰতিষ্ঠানিক ৰূপ দিয়াৰ উদ্দেশ্যে ভাৰতীয় সৃজনশীল প্ৰযুক্তি প্ৰতিষ্ঠানৰ প্ৰথম কেম্পাছ মুম্বাইত স্থাপন কৰা হৈছে বুলিও তেওঁ সদৰী কৰে। তেওঁ কয় যে উদ্যোগমুখী এই প্ৰতিষ্ঠানে দেশৰ যুৱসমাজক উপযুক্ত শিক্ষা লাভ কৰাত সহায় কৰিব আৰু সংশ্লিষ্ট ক্ষেত্ৰত দক্ষ বিশেষজ্ঞ হিচাপে গঢ়ি উঠিবলৈ সহায়ক হ'ব।

তেওঁ লগতে উল্লেখ কৰে যে, প্ৰতিষ্ঠানটোৰ অস্থায়ী চৌহদ ইতিমধ্যে কাৰ্যক্ষম হৈছে আৰু ইয়াৰ সুবিধাসমূহ বিশ্বৰ শ্ৰেষ্ঠসমূহৰ ভিতৰত অন্যতম হিচাপে মূল্যায়িত হৈছে।

ooooo

মহিলাৰ এফ আই এইচ বিশ্বকাপ ২০২৬ হকী কোৱালিফায়াৰ্ছৰ পুল-বিৰ এখন খেলত ভাৰত আৰু স্কটলেণ্ডৰ মাজৰ খেলখন ২-২ ফলাফলত ড্ৰ' হয়। হায়দৰাবাদত কালি সন্ধিয়া অনুষ্ঠিত খেলখনত ভাৰতে বিৰতিৰ পৰলৈকে ২-১ ফলাফলেৰে শক্তিশালী স্থিতিত আছিল যদিও স্কটলেণ্ডে খেলখনৰ তৃতীয়াৰ্ধত আন এটা গ'ল দি সমতা স্থাপন কৰে। সম্প্ৰতি মহিলাৰ বিশ্বকাপ হকী প্ৰতিযোগিতাত খেলাৰ বাবে যোগ্যতা অৰ্জনৰ উদ্দেশ্যে চিলিৰ ছাণ্টিয়াগ' আৰু হায়দৰাবাদত দুখন প্ৰতিযোগিতা চলি আছে। ছাণ্টিয়াগ' আৰু হায়দৰাবাদৰ যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয়স্থান লাভ কৰা দলকেইটাই ২০২৬ চনৰ মহিলা হকী বিশ্বকাপত খেলাৰ বাবে পোনপটীয়া সুযোগ লাভ কৰিব। চলিত বৰ্ষত বেলজিয়াম আৰু নেডাৰলেণ্ডছে যুটীয়াভাৱে মহিলা হকী বিশ্বকাপ প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

ooooo

সমাপ্ত